**মহিলা আৰু শিশু কল্যাণ (Women and Child Welfare) ঃ**

কল্যাণকাৰী ৰাষ্ট্ৰ এখনৰ বাবে মহিলা আৰু শিশুৰ কল্যাণ সাধন অতি গুৰুত্বপূৰ্ণ কথা। ইয়াৰ উন্নয়নে দেশৰ সামাজিক কল্যাণ সৰ্বাধিক কৰে। স্বাধীনতাৰ আগতে ভাৰতত মহিলা আৰু শিশু কল্যাণ সেৱাসমূহ অতি নিম্নমানৰ আছিল। অকল চহৰ অঞ্চলতহে মাত্ৰ এনেবোৰ সুবিধা সীমাবদ্ধ আছিল। মহিলা আৰু শিশুৰ ওপৰত বিভিন্ন ধৰণৰ নিৰ্যাতন সংঘটিত হৈছিল। মাতৃত্বৰ সময়ত হোৱা মৃত্যু আৰু শিশুমৃত্যুৰ হাৰ অধিক আছিল। ১৯৪৬ চনত ভাৰতত মাতৃত্বৰ সময়ত হোৱা মৃত্যুৰ সংখ্যা আছিল প্ৰতি ১০০০ ত ২০ গৰাকী। ১৯৪১ চনত শিশু মৃত্যুৰ হাৰ আছিল প্ৰতি ১০০০ত ১৬১ জন। অধিকন্তু উক্ত অঞ্চলত মাতৃ-শিশু উভয়ৰ বাবে সমস্যা হৈ আছিল। বিশ্বৰ বেছিভাগ উন্নয়নশীল দেশতে বিবাহিত মহিলাসকলৰ মাজত পুষ্টিহীনতাৰ সমস্যা আৰু পুনঃ পুনঃ গৰ্ভৱতী হোৱাৰ সমস্যা দেখা যায়। ভাৰতৰ স্বাধীনতাৰ পাছত মাতৃ আৰু শিশু কল্যাণ সেৱাবোৰৰ উল্লেখযোগ্য সম্প্ৰসাৰণ ঘটিছে। চহৰ অঞ্চলৰ উপৰিও দেশৰ গাঁও অঞ্চলতো সৰ্বসাধাৰণৰ বাবে প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু উপকেন্দ্ৰ গঢ়ি উঠিছে। স্বাধীনতাৰ পাছত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে দেশৰ গাঁও আৰু চহৰ অঞ্চলত মাতৃ আৰু শিশুৰ স্বাস্থ্য সেৱা আগবঢ়াবৰ বাবে তলত দিয়া ধৰণৰ অনুষ্ঠান গঢ়ি উঠিছে ঃ

(ক) গ্ৰাম্য অঞ্চল ঃ
১। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।
২। স্বাস্থ্য উপকেন্দ্ৰ।
৩। মাতৃ আৰু শিশু স্বাস্থ্য কেন্দ্ৰ (MCH Centre)

(খ) চহৰ অঞ্চল ঃ
১। মাতৃ আৰু শিশু স্বাস্থ্য কেন্দ্ৰ (MCH Cenre)
২। প্ৰসূতি গৃহ (Maternity Home)
৩। প্ৰসূতি চিকিৎসালয় (Maternity Hospital)
৪। চিকিৎসালয়ত প্ৰসূতি বিভাগ আৰু প্ৰসূতি বিচনা।
৫। শিশু চিকিৎসালয় আৰু এনে চিকিৎসালয়ত শিশু ৱাৰ্ড আৰু শিশু বিচনাৰ সুবিধা।

ভাৰত চৰকাৰৰ স্বাস্থ্য সেৱা উন্নয়ন সম্পৰ্কত ১৯৪৬ চনত গঠিত ভোৰে কমিটিয়ে মাতৃসকলৰ কল্যাণৰ বাবে বিভিন্ন সেৱাৰ অনুমোদন কৰে। সমিতিয়ে প্ৰসূতি গৃহ খোলাৰ বাবে বিশেষ অনুমোদন আগবঢ়ায়। কলিকতাৰ সৰ্বভাৰতীয় গাৰ্হস্থ্য বিজ্ঞান আৰু জনস্বাস্থ্যৰ প্ৰতিষ্ঠানে All India Institute of Hygienic and Public Health-এ মাতৃ কল্যাণৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী প্ৰস্তুত কৰে। দেশৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক সমাজ কল্যাণ বৰ্ডবোৰেও মাতৃ আৰু শিশু কল্যাণৰ বাবে কাম কৰি আছে।

দেশৰ সমাজ কল্যাণ বিভাগ, মাতৃত্ব আৰু শিশু কল্যাণ কেন্দ্ৰ, মহিলা মণ্ডল আদিয়ে শিশু আৰু মাতৃৰ আহাৰ, পৰিচৰ্যা, শিশুৰ যতন আদিৰ শিক্ষা সম্প্ৰসাৰণৰ বাবে কাম কৰি আছে। বৰ্তমান ভাৰতৰ বহুতো বিদ্যালয়ে মধ্যাহ্ন ভোজনৰ সুবিধা আগবঢ়াইছে। আন্তৰ্জাতিক সংস্থা ইউনিচেফৰ দ্বাৰা শিশু কল্যাণৰ বিভিন্ন আঁচনি দেশৰ গাঁও-চহৰত চলি আছে। ৰাষ্ট্ৰসংঘৰ শিশু কল্যাণ পুঁজিয়ে ভাৰতৰ শিশু কল্যাণ আঁচনিসমূহৰ ৰূপায়ণত এক অনন্য ভূমিকা পালন কৰি আহিছে। ইয়ে শিশুৰ স্বাস্থ্য, শিক্ষা, সামাজিক কল্যাণ আৰু পুষ্টিসাধনৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণত সহায় কৰি আছে। দেশৰ সংহত শিশু উন্নয়ন আঁচনিৰ (Integrated Child Development Scheme) অধীনত অংগনবাড়ী কেন্দ্ৰসমূহে এই সেৱাসমূহ আগবঢ়াই আছে।

দেশৰ পৰিয়াল কল্যাণ আঁচনিবোৰত জন্ম নিয়ন্ত্ৰণৰ উপৰিও মাতৃ আৰু শিশুৰ কল্যাণৰ দিশতো যথেষ্ট গুৰুত্ব দিয়া হৈছে। মাতৃ কল্যাণ সেৱা আঁচনিৰ অধীনত গৰ্ভৱতী মহিলাক নিয়মিত স্বাস্থ্য পৰীক্ষা কৰি দৰৱ বড়ি, ৰোগ প্ৰতিষেধক টিকা আদি বিনামূলীয়াকৈ স্বাস্থ্য কেন্দ্ৰসমূহত আগবঢ়োৱাৰ ব্যৱস্থা আছে।

মহিলা সবলীকৰণৰ বিভিন্ন কৰ্মসূচীয়ে মহিলাসকলৰ শাৰীৰিক, মানসিক, শৈক্ষিক, সামাজিক আৰু আৰ্থিক কল্যাণ বৃদ্ধি কৰিছে। মহিলা শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আছে। আন্তৰ্জাতিক নাৰী সংগঠনসমূহৰ

সক্ৰিয়তাই নাৰীৰ অধিকাৰ সম্পৰ্কত সচেনতা বৃদ্ধি কৰিছে। সম্প্ৰতি দেশৰ উন্নয়ন প্ৰক্ৰিয়াত নাৰীৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে সকলো ক্ষেত্ৰতে ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণৰ চিন্তা-চৰ্চা চলি আছে।

শিশু সকলৰ বাবে লোৱা বিভিন্ন কল্যাণমূলক আঁচনিয়ে শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট কমাই দিছে। সম্প্ৰতি প্ৰত্যেক পাঁচ বছৰৰ তলৰ শিশুকে পাঁচটা ৰোগৰ প্ৰতিষেধক বেজী বিনামূলীয়াকৈ স্বাস্থ্য কেন্দ্ৰসমূহত আগবঢ়োৱা হয়। তাৰোপৰি, দেশৰ অনাথ শিশু সকলৰ বাবে 'অনাথালয়' আৰু সন্ত্ৰাসৰ বলি হোৱা শিশুসকলৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। শিশু শ্ৰমিক ৰোধ কৰাৰ বাবে দেশত বিভিন্ন আইন গ্ৰহণ কৰা হৈছে।

Scanned with CamScanner